# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 09-05-2025
**Time :** 17-15 HRS

***Assamese Evening Bulletin***
**- - - - - - - - - - - - - -**

পৰহিলৈ হ'বলগীয়া পঞ্চায়ত নিৰ্বাচনৰ ভোটগণনাৰ বাবে জিলাসমূহত প্ৰস্তুতি প্ৰায় সম্পূৰ্ণ হৈ উঠিছে। **কামৰূপ** জিলাত শান্তিপূৰ্ণভাৱে ভোটগণনাৰ বাবে তিনি ঠাইত ভোটগণনা কক্ষ স্থাপন কৰা হৈছে। আমিনগাঁও আয়ুক্তৰ কাৰ্যালয়, দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয় আৰু ৰঙিয়া সমজিলা কাৰ্যালয়ত ভোটগণনা কেন্দ্ৰ স্থাপন কৰা হৈছে। ইতিমধ্যে ভোটগণনাৰ বাবে নিৰীক্ষক, ভোটগণনা সহায়ক, সূক্ষ্ম পৰ্যবেক্ষকসকলকে ধৰি ভোটগণনা কৰ্মচাৰীসকলক প্ৰশিক্ষণ প্ৰদান কৰা হৈছে।

**ডিব্ৰুগড়** জিলাতো ভোটগণনা নিয়াৰিকৈ সম্পন্ন কৰিবলৈ কালি এই প্ৰক্ৰিয়াত নিয়োজিত সুক্ষ্ম নিৰীক্ষক, কাউণ্টিং ছুপাৰভাইজাৰ আৰু সহযোগীসকলৰ প্ৰশিক্ষণ অনুষ্ঠিত হয়। ডিব্ৰুগড় জিলা পুঁথিভৰাল প্ৰেক্ষাগৃহ আৰু মনোহাৰী দেৱী কানৈ মহিলা মহাবিদ্যালয়ত অনুষ্ঠিত এই কাৰ্যসূচীত কেইবাগৰাকীও বিশেষজ্ঞ প্ৰশিক্ষকে ভোটগণনা প্ৰক্ৰিয়া সন্দৰ্ভত বিষয়াসকলক প্ৰশিক্ষণ দিয়ে।

**তিনিচুকীয়া** জিলাতো পৰহিলৈ পুৱা ৮ বজাৰ পৰা ভোটগণনা কৰা হ'ব। জিলা সদৰৰ সৰ্বানন্দ সিংহ ষ্টেডিয়ামত স্থাপন কৰা ষ্ট্ৰং ৰূমৰ উপৰি তিনিওখন সমজিলাতে একে সময়তে ভোটগণনা কৰা হ'ব।

০০০০

ভাৰতীয় সশস্ত্ৰ বাহিনীসমূহে যোৱানিশা পাকিস্তানে ড্ৰোণ, ক্ষেপনাস্ত্ৰ আৰু অন্য অস্ত্ৰ-শস্ত্ৰৰ সহায়ত দেশৰ উত্তৰ আৰু পশ্চিম অংশৰ কেইবাখনো চহৰক লক্ষ্য কৰি আক্ৰমণ চলোৱাৰ প্ৰচেষ্টা ব্যৰ্থ কৰে। পাকিস্তানী সেনাই জম্মু-কাশ্মীৰৰ নিয়ন্ত্ৰণ ৰেখাত কালি কেইবাবাৰো যুদ্ধ বিৰতি উলংঘা কৰে। সংহত প্ৰতিৰক্ষা ষ্টাফৰ মুখ্য কাৰ্যালয়ে প্ৰকাশ কৰা মতে পাকিস্তানে জম্মু, পাঠানকোট আৰু উধমপুৰৰ লগতে আন্তঃৰাষ্ট্ৰীয় সীমান্তৰ সমীপৰ কেইবাটাও ঘাটিক লক্ষ্য কৰি লোৱাৰো চেষ্টা চলায়। সশস্ত্ৰ বাহিনীয়ে এই আক্ৰমণ সফলভাৱে প্ৰতিহত কৰে। পাকিস্তানী আক্ৰমণত কোনো লোক হতাহত হোৱাৰ বাতৰি পোৱা হোৱা নাই। জম্মু-কাশ্মীৰৰ ছাটৱাড়ি, চাম্বা, আৰ এছ পুৰা আৰু আৰ্নিয়া খণ্ডলৈ লক্ষ্য কৰি পাকিস্তানে ৮টা মিছাইল নিক্ষেপ কৰিছিল। ভাৰতীয় আকাশমাৰ্গ প্ৰতিৰক্ষা প্ৰণালীয়ে এই আক্ৰমণ সফলতাৰে প্ৰতিহত কৰে। সংহত প্ৰতিৰক্ষা ষ্টাফৰ মুখ্য কাৰ্যালয়ৰ তথ্য অনুসৰি জম্মু খণ্ডত পাকিস্তানে হামাছে ইজৰাইলৰ ওপৰত আক্ৰমণ কৰাৰ দৰে একে পদ্ধতিৰে আক্ৰমণ চলোৱা দেখা পোৱা গৈছিল। পাকিস্তানী সেনাই হামাছ সন্ত্ৰাসবাদী সংগঠনৰ দৰে আচৰণ কৰিছে বুলিও সংহত প্ৰতিৰক্ষা মুখ্য কাৰ্যালয়ে সদৰি কৰিছে।

ইপিনে, সীমান্ত সুৰক্ষা বাহিনীৰ অভিযানত জম্মু-কাশ্মীৰৰ চাম্বা জিলাৰ আন্তঃৰাষ্ট্ৰীয় সীমান্তত যোৱানিশা অনুপ্ৰৱেশৰ চেষ্টা চলোৱা কমেও ৭ জন সন্ত্ৰাসবাদী নিহত হয়। বি এছ এফৰ সূত্ৰই প্ৰকাশ কৰা অনুসৰি

সন্ত্ৰাসবাদীৰ এটা বৃহৎ গোটে অনুপ্ৰৱেশৰ চেষ্টা চলোৱা ধৰা পেলায়। এই অনুপ্ৰৱেশকাৰীসকলক ধানধড় পোষ্টত থকা পাকিস্তানৰ ৰেঞ্জাৰসকলে সহায় কৰে বুলি সূত্ৰটোত প্ৰকাশ পাইছে। বি এছ এফৰ জোৱানে এই ধানধড় পোষ্টৰ বিস্তৰ ক্ষতি কৰে।

ভাৰতে পাকিস্তানৰ বিৰুদ্ধে সংঘৰ্ষ অব্যাহত ৰখাৰ কোনো অভিপ্ৰায় নাই বুলি দোহাৰি কয়, যে কেৱল পাকিস্তানৰ সন্ত্ৰাসবাদী আন্তঃগাঁথনিকহে এই আক্ৰমণৰ লক্ষ্য কৰি লোৱা হৈছে। ভাৰতে কেৱল পহলগাম সন্ত্ৰাসবাদী আক্ৰমণৰ প্ৰত্যুত্তৰহে দিছে বুলি নতুন দিল্লীয়ে সজোৰে প্ৰকাশ কৰিছে।

০০০০

প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে আজি দেশৰ পশ্চিম অংশৰ নিৰাপত্তা পৰিস্থিতি আৰু সেনাবাহিনীৰ প্ৰস্তুতি সম্পৰ্কত সশস্ত্ৰ বাহিনীৰ প্ৰধান জেনেৰেল অনিল চৌহান, স্থল সেনাধ্যক্ষ জেনেৰেল উপেন্দ্ৰ দ্বিবেদী, বায়ুসেনাধ্যক্ষ এয়াৰ চীফ মাৰ্শ্বেল অমৰপ্ৰীত সিং আৰু নৌসেনাধ্যক্ষ এডমিৰেল দীনেশ কে ত্ৰিপাঠীৰ সৈতে এখন উচ্চ পৰ্যায়ৰ পৰ্যালোচনা বৈঠকত মিলিত হয়। এই বৈঠকত প্ৰতিৰক্ষা সচিব আৰ কে সিং উপস্থিত আছিল। আনহাতে, কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে আজি সীমান্ত নিৰাপত্তা বাহিনী বি এছ এফ, কেন্দ্ৰীয় ঔদ্যোগিক সুৰক্ষা বাহিনী আৰু অসামৰিক বিমান পৰিবহণ সুৰক্ষা সংস্থাৰ মুৰববী কেইগৰাকীৰ সৈতে আন এখন পৰ্যালোচনা বৈঠকত মিলিত হয়।

০০০০

প্ৰতিৰক্ষা মন্ত্ৰালয়ে সকলো সংবাদ মাধ্যম, ডিজিটেল প্লেটফৰ্ম আৰু ব্যক্তি বিশেষক প্ৰতিৰক্ষা অভিযান আৰু নিৰাপত্তা বাহিনীৰ গতি-বিধিৰ প্ৰত্যক্ষ আৰু পোনপটীয়া প্ৰচাৰৰ পৰা বিৰত থাকিবলৈ আহ্বান জনাইছে। প্ৰতিৰক্ষা মন্ত্ৰালয়ে তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়ৰ পূৰ্বৰ নিৰ্দেশনাৰ কথা উল্লেখ কৰি সামাজিক মাধ্যমৰ এটা বাৰ্তাত কয়, যে এনেধৰণৰ স্পৰ্শকাতৰ আৰু নিৰ্দিষ্ট সূত্ৰ আধাৰিত তথ্যৰ উন্মোচনে প্ৰতিৰক্ষা অভিযানত ব্যাঘাত জন্মোৱাৰ উপৰি জনসাধাৰণৰ জীৱনলৈ ভাবুকি কঢ়িয়াই আনিব পাৰে। মন্ত্ৰালয়ে কাৰ্গিল যুদ্ধ, ২৬/১১-ৰ সন্ত্ৰাসবাদী আক্ৰমণ আৰু কান্দাহাৰ বিমান হাইজেকৰ দৰে পূৰ্বৰ কিছু ঘটনাৰ বিষয়ে উল্লেখ কৰি আগতীয়া আৰু বিভ্ৰান্তিকৰ তথ্যই আনিব পৰা বিপদৰ বিষয়ে আঙুলিয়াই দিয়ে। মন্ত্ৰালয়ৰ নিৰ্দেশাৱলীত প্ৰকাশ কৰা মতে কেবল টেলিভিছন নেটৱৰ্ক সংশোধনী নিয়মৰ অধীনত কেৱল স্বীকৃতিপ্ৰাপ্ত চৰকাৰী কাৰ্যালয়কহে সন্ত্ৰাসবাদ বিৰোধী অভিযানৰ সময়ত পৰ্যায়ক্ৰমে তথ্য প্ৰচাৰ কৰাৰ অনুমতি দিয়া হয়।

০০০০

ভাৰত আৰু পাকিস্তানৰ মাজত আক্ৰমণ-প্ৰত্যাক্ৰণৰ পৰিপ্ৰেক্ষিতত দেশত বৰ্ধিত উত্তেজনাৰ মাজতে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই ৰাজ্যত বিহু অনুষ্ঠানসমূহ কাইলৈৰ পৰা বাতিল কৰিবলৈ আহ্বান জনাইছে। সামাজিক মাধ্যমৰ জৰিয়তে মুখ্যমন্ত্ৰীগৰাকীয়ে পূৰ্বে নিৰ্ধাৰিত বিহুৰ সকলো অনুষ্ঠান ইমানতে সামৰণি পেলাই ঐক্য আৰু সংহতিৰ চানেকি দাঙি ধৰিবলৈ জনসাধাৰণৰ প্ৰতি আহ্বান জনাইছে।

০০০০

ভাৰতীয় ক্ৰিকেট নিয়ন্ত্ৰণ পৰিষদ, বি চি চি আইয়ে চলিত আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ বাকী থকা খেলসমূহ এসপ্তাহৰ বাবে তাৎক্ষণিকভাৱে বাতিল কৰাৰ কথা ঘোষণা কৰিছে। ভাৰত আৰু পাকিস্তানৰ

মাজৰ সামৰিক গতিবিধি বৃদ্ধি পোৱাৰ পৰিপ্ৰেক্ষিতত বিশেষকৈ কাশ্মীৰ খণ্ডত শেহতীয়াকৈ সীমান্ত এলেকাৰ উত্তেজনাপূৰ্ণ পৰিস্থিতিৰ বাবে বি চি চি আইয়ে এই সিদ্ধান্ত লয়। বি চি চি আইয়ে আজি বিয়লি এটা বিবৃতি জাৰি কৰি কয়, যে পৰিস্থিতিৰ সামগ্ৰিক পৰ্যালোচনাৰ পাছত সংশ্লিষ্ট কৰ্তৃপক্ষ আৰু অংশীদাৰসকলৰ সৈতে পৰামৰ্শ কৰি খেলৰ পৰৱৰ্তী সময় আৰু স্থানৰ সবিশেষ তথ্য প্ৰকাশ কৰা হ'ব। আই পি এলৰ গভৰ্নিং কাউন্সিলে ইয়াৰ ফ্ৰেন্সাইজি প্ৰতিনিধিসকলকে ধৰি মুখ্য অংশীদাৰীসকলৰ সৈতে আলোচনাৰ পাছত এই সিদ্ধান্ত গ্ৰহণ কৰে।

০০০০

সমাপ্ত